# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-06-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::**

মাজুলী মহাবিদ্যালয়ত কালিৰে পৰা অনুসন্ধান নেচনেল ৰিচাৰ্চ ফাউণ্ডেছন আৰু জৈৱ প্ৰযুক্তি বিভাগৰ যৌথ উদ্যোগত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হৈছে। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগ, প্ৰাণী বিজ্ঞান বিভাগ, ইকো ক্লাব তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিত কোষৰ সহযোগত অনুষ্ঠিত এই আলোচনাচক্ৰখনিৰ বিষয় হ'ল বায়'ৰিচৰ্চেছ কনজাৰভেশ্বনঃ চেলেঞ্জেজ অন দ্যা ডাইনামিক ক্লাইমেট চেঞ্জেজিং নৰ্থ ইষ্ট ইণ্ডিয়া। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° নিৰোদ বৰুৱাই এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাজুলীৰ জৈৱ সম্পদসমূহে বৰ্তমান সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° ক্ষীৰপদ দত্ত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ড° পাৰ্থপ্ৰতিম বৰুৱা উপস্থিত থাকি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশেষ বক্তৃতা প্ৰদান কৰি নতুন দিল্লীৰ টেৰিচাচৰ অধ্যাপক ড° শশীভূষণ ত্ৰিপাঠিয়ে জলবায়ু পৰিৱৰ্তন আৰু জৈৱ বৈচিত্ৰৰ ওপৰত ইয়াৰ প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় নেওগে দৃশ্য শ্ৰব্য মাধ্যমেৰে বহনক্ষম উন্নয়নৰ দিশেৰে জৈৱ সম্পদসমূহৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে পৰম্পৰাগত বনৌষধী ব্যৱহাৰৰ দিশত বিশেষ গুৰুত্ব প্ৰদানেৰে জৈৱ সম্পদসমূহক প্ৰয়োজনীয় সুৰক্ষা প্ৰদান কৰি এখন সুস্থ পৃথিৱী গঢ়ি তুলিবলৈ তেওঁ সকলোকে অনুৰোধ জনায়। আজি সন্ধিয়া আনুষ্ঠানিকভাৱে সামৰণি পৰিবলগীয়া এই আলোচনাচক্ৰত দেশৰ বিভিন্ন প্ৰান্তৰ পৰাই ২ শতাধিক অংশগ্ৰহণকাৰীয়ে নিজৰ গৱেষণা পত্ৰ পাঠ কৰে।

০০০০

যোৰহাটৰ চিনামৰাস্থিত প্ৰেৰণা প্ৰতিবন্ধী বিদ্যালয়ৰ ৩৪ তম প্ৰতিষ্ঠা দিৱস আজি দিনযোৰা কাৰ্যসূচীৰে পালন কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষ চাহেৰা ৰহমানে পতাকা উত্তোলনেৰে এই কাৰ্যসূচী আৰম্ভ কৰে আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিষ্ঠা দিৱস উপলক্ষে বিভিন্ন অনুষ্ঠান প্ৰদৰ্শন কৰে।

০০০০

প্ৰতি মাহৰ শনিবাৰে ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়সমূহ ভ্ৰমণ কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা পদক্ষেপৰ অংশ স্বৰূপে যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি মৰিয়নিৰ ৰাজহ চক্ৰ আৰু তিতাবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে ৰাজহ চক্ৰ অন্তৰ্গত জনসাধাৰণক সাক্ষাৎ কৰি তেওঁলোকৰ বিভিন্ন অভিযোগসমূহৰ সন্দৰ্ভত বুজ লয়। ইপিনে ৰাজহ চক্ৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰি আয়ুক্তগৰাকীয়ে ৰাজহুৱা সেৱাৰ সৈতে জড়িত কাম-কাজসমূহ সুচাৰুৰূপে আৰু নিৰ্দিষ্ট সময়ত হোৱাটো নিশ্চিত কৰে।

০০০০

যোৰহাটৰ আৱৰ্ত ভৱনৰ সভাকক্ষত আজি বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা আৰু সামূহিক প্ৰচেষ্টা শক্তিশালী কৰাৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। সভাত বাল্য বিবাহৰ ক্ষতিকাৰক প্ৰভাৱ আৰু ইয়াৰ

প্ৰতিৰোধৰ ক্ষেত্ৰত সামূহিক পদক্ষেপৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰাৰ লগতে জিলাখনৰ শিশুসকলৰ অধিকাৰ আৰু ভৱিষ্যত সুৰক্ষিত কৰাৰ বিভিন্ন পদ্ধতি আৰু প্ৰত্যাহ্বান সমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। যোৰহাটৰ আৰক্ষী অধীক্ষকে বাল্য বিবাহৰ বিভিন্ন কাৰণসমূহ উল্লেখ কৰি ১৫ বছৰ ঊৰ্ধৰ বিদ্যালয় এৰি যোৱা ছাত্ৰীসকলক চিনাক্ত কৰি কাউন্সিলিং কৰিবলৈ সংশ্লিষ্টসকলক পৰামৰ্শ আগবঢ়ায়। আনহাতে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষকগৰাকীয়ে বাল্য বিবাহৰ ফলত প্ৰজনন স্বাস্থ্যৰ ক্ষতি, অকাল প্ৰসৱৰ ফলত মৃত্যুৰ হাৰ বৃদ্ধি, অবাঞ্চিত আৰু আগতীয়া গৰ্ভৱস্থাৰ ভয়াৱহ পৰিণতিৰ সন্দৰ্ভত আলোকপাত কৰে। সজাগতা সভাখনত অংশগ্ৰহণ কৰা চাহ জনজাতি সংগঠনৰ নেতাসকলে জিলা প্ৰশাসনে গ্ৰহণ কৰা এই পদক্ষেপৰ শলাগ লৈ চাহ বাগিচা এলেকাত সজাগতা গঢ়ি তোলাৰ ক্ষেত্ৰত সম্পূৰ্ণ সহায় আগবঢ়াব বুলি জনায়।

০০০০

দেশৰ জৰুৰীকালীন অৱস্থাৰ সময়ত বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিজ্ঞতাৰ ভিত্তিত সংকলিত হোৱা ইমাৰজেন্সি ডায়েৰীছ্ নামৰ এখন গ্ৰন্থ গুৱাহাটীৰ বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। ব্লু ক্ৰাফ্ট ফাউণ্ডেচনে সংকলন কৰা কিতাপখনৰ আগকথা প্ৰধানমন্ত্ৰী মোদীয়ে লিখাৰ লগতে ভূতপূৰ্ব প্ৰধানমন্ত্ৰী এইচ ডি দেৱগৌৰাই লিখা পাতনি সন্নিবিষ্ট হৈছে। গ্ৰন্থখন উন্মোচন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে দেশৰ জৰুৰীকালীন অৱস্থাত বৰ্তমানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে গণতান্ত্ৰিক প্ৰমূল্যবোধ ৰক্ষা কৰাৰ বাবে যি ভূমিকা গ্ৰহণ কৰিছিল সেয়া এই গ্ৰন্থখনৰ জৰিয়তে আজিৰ প্ৰজন্মই জানিব পাৰিব। একেটা অনুষ্ঠানতে ভাগ লৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সমাজ অধ্যয়ন বিষয়ত **ভাৰতীয় গণতন্ত্ৰ** শীৰ্ষক এটা অধ্যায় সন্নিবিষ্ট কৰি অধ্যায়টোত দেশৰ জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাও অন্তৰ্ভুক্ত কৰা হ'ব বুলি ঘোষণা কৰে।

০০০০

সমাপ্ত